# **REGIONAL NEWS UNIT**

AKASHVANI, GUWAHATI

0000000000

**Date :** 03-11-2024

**Time :** 1205 Hrs.

## ***Assamese Bulletin***

-----------------------------

অসমীয়াৰ লগতে ৰাজ্যৰ অন্যান্য জনগোষ্ঠীয় ভাষা আৰু বৰ্ণিল সংস্কৃতিৰ প্ৰচাৰ তথা প্ৰসাৰৰ উদ্দেশ্যে ৰাজ্য চৰকাৰৰ উদ্যোগত আজিৰ পৰা ৯ নৱেম্বৰলৈকে ভাষা গৌৰৱ সপ্তাহ উদ্‌যাপন কৰা হৈছে। অসমীয়া ভাষাই লাভ কৰা ধ্ৰুপদী ভাষাৰ বিৰল স্বীকৃতিক প্ৰতিজন অসমীয়াৰ ওচৰলৈ নিয়াৰ লক্ষ্যৰে প্ৰথমবাৰৰ বাবে এই কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। চতুৰ্থ শতিকাৰ পৰা পৰ্যায়ক্ৰমে অসমীয়া ভাষা সাহিত্যলৈ বৰঙণি যোগোৱা মনিষী, পণ্ডিত আৰু ভাষাবিদসকললৈ কৃতজ্ঞতা জ্ঞাপনৰ লগতে ভাষা গৌৰৱ সপ্তাহৰ বিভিন্ন কাৰ্যসূচীৰ অধীনত প্ৰকাশন পৰিষদে প্ৰকাশ কৰা **ধ্ৰুপদী অসমীয়া** শীৰ্ষক গ্ৰন্থ নাগৰিকৰ মাজত বিতৰণৰ কৰা হৈছে। লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ এক লাখ নাগৰিকৰ জৰিয়তে কৃতজ্ঞতাসূচক পত্ৰ প্ৰেৰণ কৰাৰ উপৰি অসমীয়াকে ধৰি ৰাজ্যৰ ১৪টা ভাষাত শৈক্ষিক প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে।

গুৱাহাটীত আজি ভাষা গৌৰৱ সপ্তাহ উদ্‌যাপনৰ উদ্বোধনী অনুষ্ঠানত কৃষি মন্ত্ৰী অতুল বৰাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। ৰাজ্য চৰকাৰৰ আন আন মন্ত্ৰীসকলে বিভিন্ন জিলাৰ উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে।

তিনিচুকীয়া জিলাৰ নগৰ উন্নয়ন কৰ্তৃপক্ষৰ সাংস্কৃতিক কেন্দ্ৰত ভাষা গৌৰৱ সপ্তাহৰ কেন্দ্ৰীয় কাৰ্যসূচী অনুষ্ঠিত হৈছে। কাৰ্যসূচীৰ আৰম্ভণি অনুষ্ঠানত ৰাজ্য চৰকাৰৰ শ্ৰম মন্ত্ৰী সঞ্জয় কিষাণ, জিলা আয়ুক্ত, পৌৰ সভাৰ সভাপতি আদিকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

আনহাতে অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা দিয়াৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক কৃতজ্ঞতা জ্ঞাপন কৰিবলৈ আজি বিয়লি কৰিমগঞ্জ জিলা পুথিভঁৰালত ভাষা গৌৰৱ সপ্তাহ উপলক্ষে এখন আলোচনা সভা অনুষ্ঠিত হ'ব।

ooo

ৰাজ্যৰ ৫ টা সমষ্টিৰ উপ নিৰ্বাচনৰ বিভিন্ন কাম-কাজত নিয়োজিত কৰ্মচাৰীসকলে মাতৃ-পিতৃ বন্দনা যোজনাৰ অধীনত পৰৱৰ্তী সময়ত বিশেয় ছুটি লাভ কৰিব বুলি ৰাজ্য চৰকাৰে এখন নিৰ্দেশনাযোগে প্ৰকাশ কৰিছে। এই সন্দৰ্ভত ৰাজ্য চৰকাৰৰ সাধাৰণ প্ৰশাসন বিভাগৰ আয়ুক্ত সচিব এম এছ মনিভন্নমে কালি কাছাৰ, বঙাইগাওঁ, বিশ্বনাথ, চিৰাং আৰু নগাওঁ জিলাৰ আয়ুক্তলৈ এখন নিৰ্দেশনা প্ৰেৰণ কৰিছে। সেই অনুসৰি নিৰ্বাচনী কাম-কাজত নিয়োজিত ব্যক্তিসকলে নিৰ্বাচন সম্পন্ন হোৱাৰ পিছতে এই বিশেষ ছুটিৰ সুবিধা লব পাৰিব। উল্লেখযোগ্য যে এই যোজনাৰ অধীনত ৰাজ্য চৰকাৰৰ কৰ্মচাৰীসকললৈ অহা ৬ আৰু ৮ নৱেম্বৰত বিশেষ ছুটিৰ সুবিধা আগবঢ়াইছে। ইয়াৰ লগতে এই বিশেষ ছুটিৰ অধীনত কৰ্মচাৰীসকলক ষট পূজা উপলক্ষে ৭ নৱেম্বৰ আৰু দ্বিতীয়টো শনি আৰু ৰবিবাৰ অৰ্থাৎ ৯ আৰু ১০ নৱেম্বৰকো অন্তৰ্ভুক্ত কৰাৰ

সুবিধা প্ৰদান কৰা হৈছে। একেলগে শিক্ষক-শিক্ষয়ীত্ৰীসকলকো অহা ৯ নৱেম্বৰত মাতৃ-পিতৃ বন্দনা যোজনাৰ অধীনত বিশেষ ছুটি প্ৰদানৰ সুবিধা প্ৰদান কৰিছে।

০০০

উৎসৱৰ সময়ত যাত্ৰীসকলৰ বৰ্ধিত চাহিদা পূৰণ আৰু আৰামদায়ক ভ্ৰমণ নিশ্চিত কৰিবলৈ উত্তৰ-পূব সীমান্ত ৰেলৱেই আৰু কেইখনমান উৎসৱ বিশেষ ৰেলৰ সেৱা আগবঢ়াইছে। এই ৰেলকেইখন হ'ল আগৰতলা-ছেকেন্দ্ৰাবাদ, আগৰতলা-ফিৰোজপুৰ কেণ্ট, লুধিয়ানা-নিউ জলপাইগুৰি, চত্ৰপতি শিৱাজী মহাৰাজ টাৰ্মিনাছ-আগৰতলা আৰু গংগাত পৱিত্ৰ স্নানৰ বাবে যোৱা ষট পূজাৰ ভক্তসকলৰ বাবে কাটিহাৰ আৰু মনিহাৰীৰ মাজত দুখন ডেমু ৰেলৰ চলাচল কৰোৱা হ'ব।

আনহাতে প্ৰায় ২০ খন উৎশৱ বিশেষ ৰেল আজি ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰ দিল্লীৰ বিভিন্ন ষ্টেচনৰ পৰা কামাখ্যা, দৰভংগা, ৰাছী, পাটনা, কাটৰা, মুজফ্‌ফৰপুৰ, বলিয়া আৰু আজমগড় আদি ঠাইলৈ যাত্ৰা কৰিব।

০০০

ৰাজ্য চৰকাৰে মাজুলীৰ প্ৰতিখন ৰাস সমিতিলৈ পুনৰ ৫০ হাজাৰ টকাকৈ অতিৰিক্ত আৰ্থিক সাহায্য আগবঢ়াব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি সামাজিক মাধ্যম এক্স যোগে এই বিষয়ে প্ৰকাশ কৰি কয় যে, প্ৰতিখন ৰাস সমিতিলৈ চৰকাৰে আগবঢ়াব খোজা ২৫ হাজাৰ টকাৰ আৰ্থিক সাহায্যৰ সৈতে এই ধনৰাশি যোগ হ'ব। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে, মাজুলীৰ ৰাস উৎসৱ অসমৰ ভাবনা আৰু সাংস্কৃতিক সত্তা উদযাপনৰ মূৰ্তৰূপ। অসমৰ বৰ্ণাঢ্য ঐতিহ্য আৰু পৰম্পৰা সাৰ্থক ৰূপত তুলি ধৰাৰ বাবে চৰকাৰে আৰ্থিক সাহায্য আগবঢ়োৱাৰ বিষয়ে মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

ইপিনে ৰাজ্যৰ বিভিন্ন ঠাইত শৰৎ পূৰ্ণিমা উপলক্ষে ৰাসৰ আয়োজন কৰা হৈছে। মাজুলীৰ বিভিন্ন সত্ৰ আৰু নামঘৰসমূহত ভক্তিপ্ৰাণ বৈষ্ণৱ সমাজে শ্ৰীকৃষ্ণৰ শিশুলীলা আৰু ৰাসলীলাৰ আখৰা অব্যাহত ৰাখিছে। জিলাখনত সৰ্বমুঠ ৬৫ খন ৰাস প্ৰদৰ্শনৰ আয়োজন কৰা হৈছে। ইফালে, নামনি অসমতো পলাশবাৰী, মিৰ্জা, ৰামপুৰ, ছয়গাঁও, নলবাৰী, টিহু, মাখিবাহা, শুৱালকুছি ইত্যাদি ঠাইত ৰাসৰ আয়োজন কৰা হৈছে।

০০০

সমাপ্ত